**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-07-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি হাৰিয়ানা, গোৱা আৰু লাডাখৰ বাবে নতুন ৰাজ্যপাল নিযুক্ত কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভূৱনেশ্বৰত উপস্থিত হৈছে।

৩। ভাৰত আৰু চীনৰ সম্পৰ্ক ক্ৰমাৎ ইতিবাচক দিশত আগবাঢ়িছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে মন্তব্য কৰে।

৪। গ্ৰামোন্নয়ন ৰাজ্যমন্ত্ৰী পেন্মাচানি চন্দ্ৰশেখৰে বিকশিত ভাৰতৰ বাবে বিকশিত গাওঁ নিৰ্মাণত গুৰুত্ব প্ৰদান কৰে। ***আৰু***

৫। লৰ্ডছ ক্ৰিকেট টেষ্টত ভাৰত নিশ্চিত পৰাজয়ৰ সন্মুখীন হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি হাৰিয়ানা, গোৱা আৰু লাডাখৰ বাবে নতুন ৰাজ্যপাল নিযুক্তি দিয়ে। প্ৰাক্তন অসামৰিক বিমান পৰিবহন মন্ত্ৰী পুশপতি অশোক গজপতি ৰাজুক গোৱাৰ ৰাজ্যপালৰূপে নিযুক্তি দিয়া হয়। হাৰিয়ানাৰ ৰাজ্যপালৰূপে প্ৰফেছৰ অশোক কুমাৰ ঘোষক নিযুক্তি দিয়াৰ লগতে লাডাখৰ উপ ৰাজ্যপালৰূপে লেফটেনেণ্ট কবিন্দৰ গুপ্তাক নিযুক্তি দিয়া হয়। ৰাষ্ট্ৰপতিয়ে লাডাখৰ প্ৰাক্তন উপ ৰাজ্যপাল অৱসৰপ্ৰাপ্ত ব্ৰিগেদিয়ৰ ডঃ বি ডি মিশ্ৰৰ পদত্যাগপত্ৰও গ্ৰহণ কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি গৃহৰাজ্য ওড়িশালৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভূৱনেশ্বৰত উপস্থিত হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক ৰাজ্যপাল হৰিবাবু কম্ভাপতি, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু জ্যেষ্ঠ চৰকাৰী বিষয়াসকলেওড়িশাৰ বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীক ওড়িশাৰ পৰম্পৰাগত লোক নৃত্যৰে সম্ভাষণ জনোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে আজি ভূৱনেশ্বৰত অৱস্থিত সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ পঞ্চম সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৰে ৩১ গৰাকী ছাত্ৰ-ছাত্ৰীক স্বৰ্ণ পদক প্ৰদান কৰাৰ লগতে ৬৪৩ গৰাকী শিক্ষাৰ্থীক স্বাস্থ্য সেৱা বিষয়ক ডিগ্ৰী প্ৰদান কৰে।

কাইলৈ শ্ৰীমতী মুৰ্মুৱে ৰবেঞ্চো বিশ্ববিদ্যালয়ৰ ত্ৰয়োদশ সমাৱৰ্তনত অংশগ্ৰহণ কৰাৰ লগতে কটকত অৱস্থিত ৰবেঞ্চো ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় পুনৰ নিৰ্মাণৰ বাবে কেইবাটাও ভৱনৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমতী মুৰ্মুৱে ওড়িশাৰ প্ৰসিদ্ধ কবি তথা বুদ্ধিজীৱী আদিকবি সৰলা দাসৰ জয়ন্তীত অংশগ্ৰহণ কৰাৰ লগতে কটকত তেওঁ কলিংগ ৰত্ন পুৰস্কাৰ ২০২৪ অনুষ্ঠানত উপস্থিত থাকিব। ৰাষ্ট্ৰপতিৰ এই ভ্ৰমণৰ বাবে ভূৱনেশ্বৰ আৰু কটকত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে।

০০০০

ভাৰত আৰু চীনৰ সম্পৰ্ক ক্ৰমাৎ ইতিবাচক দিশত আগবাঢ়িছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে চীনৰ বৈদেশিক মন্ত্ৰী ৱাং ইৰ উপস্থিতিত বেইজিঙত অনুষ্ঠিত এখন সভাত এই মন্তব্য কৰে। শ্ৰীজয়শংকৰে কয়, যে দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক কৰাৰ ক্ষেত্ৰত বিগত ৯ মাহত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। তেওঁ কয় যে সীমান্তৰ উত্তেজনা হ্ৰাস কৰি শান্তি স্থাপন কৰাৰ ফলতেই দুয়োদেশৰ সম্পৰ্কই এই অগ্ৰগতি লাভ কৰিছে। ড° জয়শংকৰে পাৰস্পৰিক কৌশলগত বুজাবুজি আৰু দ্বিপাক্ষিক সম্পৰ্কৰ উন্নীতকৰণৰ ক্ষেত্ৰত এই অগ্ৰগতিত গুৰুত্ব প্ৰদান কৰে। চুবুৰীয়া আৰু প্ৰধান গোলকীয় অৰ্থনীতিৰ দেশ হিচাপে ভাৰত আৰু চীনৰ সম্পৰ্কত ড° জয়শংকৰে বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে সুস্থিৰ আৰু গঠনমূলক সম্পৰ্কই দুয়োখন দেশকে লাভান্বিত কৰিব। পাৰস্পৰিক সন্মান, স্বাৰ্থ আৰু সংবেদনশীলতাৰ আধাৰত এই সম্পৰ্কই শীৰ্ষ পৰ্যায় লাভ কৰিব বুলিও মন্ত্ৰী ড° জয়শংকৰে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে দুয়োখন দেশে দুয়োখন দেশৰ পাৰ্থক্যবোৰক মতবিৰোধৰ শাৰীলৈ পৰ্যবাসিত নকৰাৰ বাবে সন্মত হৈছে আৰু সংঘৰ্ষ সৃষ্টিৰ ক্ষেত্ৰত কোনো ধৰণৰ প্ৰতিযোগিতা নকৰি সম্পৰ্কৰ ধাৰাবাহিকতা ৰক্ষাত গুৰুত্ব আৰোপ কৰিছে। উল্লেখযোগ্য যে ভাৰত আৰু চীনৰ মাজৰ কূটনৈতিক সম্পৰ্কই চলিত বৰ্ষত ৭৫ বছৰ সম্পূৰ্ণ কৰিছে। বিগত ৫ বছৰৰ বিৰতিৰ পাছত এইবেলি পুনৰ কৈলাশ মান সৰোবৰ যাত্ৰা সম্পন্ন হৈছে আৰু এইক্ষেত্ৰত চীনে সহযোগিতা আগবঢ়োৱাৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে দেশখনক ধন্যবাদ জ্ঞাপন কৰে। ০০০

০০০০

ভাৰতীয় মহাকাশচাৰী কেপ্তেইন সুভাংশু শুক্লা আৰু অকজিম-4 অভিযানৰ আন ৩ গৰাকী মহাকাশচাৰীৰ ওভতনি যাত্ৰা কিছুসময় পূৰ্বে আৰম্ভ হৈছে। স্পেচেক্সে সামাজিক মাধ্যমযোগে নিশ্চিত কৰিছে যে, ক্ৰিউ কেপচুল ড্ৰেগন আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা বিচ্ছিন্ন হৈছে। কাইলৈ বিয়লি ৩ বজাত মহাকাশচাৰীকেইজনে পৃথিৱীত ভৰি থব। অৱতৰণৰ পাছত গ্ৰুপ কেপ্তেইন শুক্লাই অন্যান্য সদস্যসকলৰ সৈতে পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তিৰ লগত পুনৰ খাপ খাব পৰাকৈ ৭ দিনীয়া বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিব। মহাকাশচাৰীৰ দলটোৱে ১৪ দিনীয়া অভিযানৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ ৰাওনা হৈছিল। সুভাংশু শুক্লা হৈছে আন্তৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় আৰু ১৯৮৪ চনত মহাকাশলৈ যোৱা উইং কমাণ্ডাৰ ৰাকেশ শৰ্মাৰ পিছত দ্বিতীয়গৰাকী ভাৰতীয় মহাকাশচাৰী।

০০০০

২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত প্ৰাপ্তিৰ বাবে বিকশিত গাওঁ নিৰ্মাণ কৰিব লাগিব। নতুন দিল্লীত আজি প্ৰদৰ্শন পৰ্যালোচনা সমিতিৰ প্ৰথমখন বৈঠকত অংশগ্ৰহণ কৰি গ্ৰামোন্নয়ন ৰাজ্যমন্ত্ৰী পেম্মাচানি চন্দ্ৰশেখৰে এইদৰে

মন্তব্য কৰে।  তেওঁ কয় যে বিকশিত গাঁৱৰ প্ৰতিটো পৰিয়ালৰ মৌলিক সুবিধা থকা পকী ঘৰ, মানসম্পন্ন  পথ, যুৱচামৰ কৰ্মসংস্থাপনৰ সুযোগ আৰু প্ৰতিগৰাকী মহিলা সৱলীকৃত হোৱাৰ লগতে আৰ্থিকভাৱে স্বাধীন হোৱা উচিত। এই লক্ষ্যত উপনীত হওঁতে গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ ভূমিকাৰ কথা উল্লেখ কৰি তেওঁ কয় যে, চৰকাৰে কেৱল আঁচনিসমূহ ৰূপায়ন কৰাই নহয় ভাৰতৰ সমৃদ্ধিৰ পৰৱৰ্তী অধ্যায়ৰ মনোনিবেশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত চৰকাৰে গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে বুলি ৰাজ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ কথা অৱতাৰণা কৰি তেওঁ কয়, যে বৰ্তমানলৈকে ৩ কোটি ২২ লাখ পৰিয়ালক পকী ঘৰ নিৰ্মাণৰ সুবিধা দিয়া হৈছে আৰু ২০২৯ চনৰ ভিতৰত ২ কোটি পৰিয়ালক এই ঘৰ দিয়া হ'ব।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা মন্ত্ৰালয়ে চলিত মাহৰ ১৮ তাৰিখৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে যুৱ আধ্যাত্মিকতা সন্মিলনৰ আয়োজন কৰিছে।  বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ প্ৰজন্মৰ লক্ষ্যৰে বাৰাণসীত  এই সন্মিলনৰ আয়োজন কৰা হৈছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই কয়, যে সমগ্ৰ দেশৰে এশটা আধ্যাত্মিক কেন্দ্ৰৰ পৰা প্ৰায় ৫ হাজাৰ যুৱ প্ৰতিনিধিয়ে এই আধ্যাত্মিক সন্মিলনত অংশগ্ৰহণ কৰিব। তেওঁ কয়, যে এই সন্মিলনে যুৱ প্ৰজন্মৰ নেতৃত্বত নিচামুক্ত ভাৰতৰ পথ দেখুৱাব। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই সন্মিলনৰ শেষত নিচাযুক্ত দ্ৰব্য সেৱনৰ অভ্যাসৰ পৰা বিৰত থাকিবলৈ খাছি ঘোষণাপত্ৰত স্বাক্ষৰ কৰা হ'ব। অহা ২০ জুলাইত এই সন্মিলনৰ সামৰণি পৰিব।

মন্ত্ৰী ড° মন্দাভিয়াই লগতে কয়, যে অহা ২৬ জুলাইত কাৰ্গিল বিজয় দিৱস উপলক্ষে কাৰ্গিল যুদ্ধৰ ছহিদসকলক সন্মান জনোৱাৰ অৰ্থে কাৰ্গিলত এটা বিশেষ পদযাত্ৰাৰ আয়োজন কৰা হৈছে।

০০০০

বিশিষ্ট অভিনেত্ৰী বি সৰোজা দেৱীৰ বিয়োগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে, অভিনেত্ৰী সৰোজা দেৱীক সমাজে ভাৰতীয় চলচ্চিত্ৰ আৰু সংস্কৃতিৰ এগৰাকী অনন্য শিল্পীৰূপে সদায় মনত ৰাখিব। শ্ৰীমোদীয়ে লগতে কয় যে তেওঁৰ অনন্য অভিনয়শৈলীয়ে সকলো প্ৰজন্মৰ লোককে আকৰ্ষিত কৰিছে।  বিভিন্ন ভাষাত কৰা অভিনেত্ৰীগৰাকীৰ অভিনয় কৰ্মই শিল্পীগৰাকীৰ বহুমুখী প্ৰতিভাক দাঙি ধৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

সমগ্ৰ বিশ্বই আয়ুৰ্বেদৰ বৈজ্ঞানিক ভিত্তি, ব্যৱহাৰযোগ্যতা আৰু উপলব্ধতাৰ বিষয়ে অৱগত হৈছে। কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী প্ৰতাপৰাও গণপতৰাও যাদৱে নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানত  আয়োজিত শল্যাকন ২০২৫ৰ উদ্বোধনী অনুষ্ঠানত আজি এইকথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে আয়ুষ মন্ত্ৰালয়ে আয়ুৰ্বেদৰ ধাৰাবাহিক বিকাশ আৰু শল্য চিকিৎসা অনুশীলনত বিশেষ গুৰুত্ব আৰোপ কৰিছে যাতে আয়ুৰ্বেদ চিকিৎসা পদ্ধতিয়ে গোলকীয় স্বীকৃতি লাভ কৰিব পাৰে। উল্লেখযোগ্য যে শল্যাকন ২০২৫ হৈছে শল্যতন্ত্ৰৰ বাবে অনুষ্ঠিত এখন ৩ দিনীয়া ৰাষ্ট্ৰীয় সন্মিলন।

০০০০

লৰ্ডছ্ ক্রিকেট টেষ্টত ভাৰত নিশ্চিত পৰাজয়ৰ সন্মুখীন হৈছে। আজি খেলখনৰ পঞ্চম তথা অন্তিম দিনা ভাৰতে জয়লাভৰ দ্বিতীয় ইনিংছৰ ছটা উইকেট বাকী থকা অৱস্থাত ১৯৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰে যদিও কালি অপৰাজিত হৈ থকা কে এল ৰাহুলে মাত্ৰ ৬ ৰান যোগ দিয়াৰ পাছতে ৩৯ ৰানত ষ্ট'কছৰ বলত এল বি ডব্লিউ আউট হয়। ঋষভ পণ্টো ৯ ৰানত জ'ফ্ৰা আৰ্চাৰৰ বলত আউট হয়। ৰবীন্দ্ৰ জাডেজাই নীতিশ কুমাৰ ৰেড্ডীৰ সৈতে লগলাগি অষ্টম উইকেটৰ যুটী ৩০ ৰান যোগ দিয়ে যদিও নীতিশ কুমাৰ ৰেড্ডী ভোজন বিৰতিৰ ঠিক পূৰ্বে ১৩ ৰানত আউট হয়। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৮ টা উইকেটৰ বিনিময়ত ১৩৮ ৰান সংগ্ৰহ কৰিছে।

এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত পাঁচখনীয় টেষ্ট শৃংখলাত ইংলেণ্ড ২-১ৰ অগ্ৰগতি লাভ কৰাটো প্ৰায় নিশ্চিত হৈছে। উল্লেখযোগ্য যে খেলখনৰ প্ৰথম ইনিংছত দুয়োটা দলেই ৩৮৭ ৰানকৈ সংগ্ৰহ কৰিছে। ইংলেণ্ডে দ্বিতীয় ইনিংছত সংগ্ৰহ কৰা ১৯২ ৰানক সফলতাৰে জয়ৰ দিশত লৈ যাব পৰাটো দলটোৰ বাবে বিশেষ কৃতিত্বৰ কথা বুলি বিবেচিত হ'ব।    ০০০

০০০০

সমাপ্ত